জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

...তম বছৰ, সংখ্যা ৭২ ● শনিবাৰ ● ১ আঘোণ ১৯৪৫ শক RNI No. ASSASS/2006/16737 THE DAINIK JANAMBHUMI Tinsukia Saturday November 18, 2023 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ ...

নিখিল ভাৰত
...পেক্স বেংক
...য়া নগৰস্থিত
...ক তথা যুৱ
...পতিত্ব কৰে
অধ্যক্ষ তথা
কুমাৰ দাসে
...হুকেইগৰাকী
...গ, সাংবাদিক
...কলৰ ফালৰ
...গৈয়ে ভাষণ
...ত কেইবাটাও
...আৰু অধিক
...বলৈও বেংক
...ভাগত শাখা
...শাখাত গ্ৰাহক
কৰে।

## ...ৰাষ্ট্ৰীয়
## ...াজন

...ৰ উচ্চ শিক্ষাৰ
...২ ডিচেম্বৰত
... দুদিনীয়াকৈ
...ছে। কমাৰগাঁও
... গোলাঘাটৰ
...া আন্তঃৰাষ্ট্ৰীয়
...ৰ পৰিৱৰ্তনত

## শিশু অধিকাৰ সপ্তাহ উদ্‌যাপন

জামুগুৰি ঃ নিজা প্ৰতিবেদক, ১৭ নৱেম্বৰ ঃ গোলাঘাট জিলাৰ জামুগুৰি থানাৰ উদ্যোগত অসম পুলিচৰ শিশুমিত্ৰ কাৰ্যসূচীৰ অধীনত উদ্‌যাপিত শিশু অধিকাৰ সপ্তাহৰ লগত সংগতি ৰাখি এখন সজাগতা সভা বৰজান মাটিখোলা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত জামুগুৰি থানা সমিতিৰ সভাপতি খগেন বৰাৰ সভাপতিত্বত অনুষ্ঠিত হয়। থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দেৱানন্দ শইকীয়াই আঁতধৰা সভাখনত বিদ্যালয়ৰ অধ্যক্ষ সবিতা গগৈ, শিক্ষক শিৱানী বৰুৱা, শিক্ষক বিপ্ৰবিনোদ বৰা, সমাজকৰ্মী নিপু হাজৰিকা আৰু থানাৰ চক্ৰ সংগঠক কমল হাজৰিকাই বক্তৃতা আগবঢ়ায়। সভাত নাগৰিক সমিতিৰ সভাপতি দিলীপ বৰা,২নং বৰজান গাঁওৰক্ষী বাহিনীৰ সভাপতি পাপু বৰাকে মুখ্য কৰি বহু কেইগৰাকী অতিথি, বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## ডিব্ৰুগড়ত সত্ৰীয়া সংস্কৃতি দিৱস পালন

লাহোৱাল ঃ নিজা সংবাদদাতা, ১৭ নৱেম্বৰ ঃ সদৌ ডিব্ৰুগড় জিলা সত্ৰ মহাসভা আৰু জিলা আই কনকলতা মহিলা তীৰ্থৰ উদ্যোগত আৰু ডিব্ৰুগড় হনুমানবক্স সুৰুযমল কানৈ মহাবিদ্যালয়ৰ সহযোগত ১৫ নৱেম্বৰত কানৈ মহাবিদ্যালয়ৰ শংকৰদেৱ প্ৰেক্ষাগৃহত সদৌ অসম সত্ৰ মহাসভাৰ সত্ৰীয়া সংস্কৃতি দিৱস উদ্‌যাপন কৰা হয়। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰচেষ্টাত ২০০০ চনৰ এই দিনটোতে সত্ৰীয়া নৃত্যই ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিছিল। এই উপলক্ষে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে কানৈ মহাবিদ্যালয়ৰ পদাৰ্থবিজ্ঞান বিভাগৰ অধ্যাপক ড° জ্যোতি প্ৰসাদ ফুকনে। ডিব্ৰুগড় জিলা আই কনকলতা মহিলা তীৰ্থৰ সভানেত্ৰী জিতা ডেকা হাজৰিকাই সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে। অনুষ্ঠানৰ বিষয়ববীয়া তথা আইসকলৰ মাংগলিক উৰুলি ধ্বনিৰে অনুষ্ঠানটোৰ পৱিত্ৰতা বৃদ্ধি কৰে। জিতা ডেকা হাজৰিকাই সভাপতিত্ব কৰা মুকলি সভাত বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে ড° জ্যোতিপ্ৰসাদ ফুকনৰ লগতে কেইবাজনো ব্যক্তিয়ে। সভাখনৰ আঁত ধৰে সম্পাদিকা মামণি শৰ্মাই। কনকচম্পা বুঢ়াগোহাঁইৰ দ্বাৰা পৰিৱেশিত বৰগীতেৰে আৰম্ভ কৰা সভাত আই কনকলতা মহিলা তীৰ্থৰ ডিব্ৰুগড় জিলাৰ সম্পাদিকা মিনাক্ষী দাস বৰুৱাই আদৰণী ভাষণ প্ৰদান কৰি সত্ৰীয়া কলা-সংস্কৃতি তথা মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱৰ সৃষ্টি, আদৰ্শ, কৰ্মৰাজি আৰু গুৰুদুজনাৰ পৰৱৰ্তী পৰ্যায়ৰ গুৰুসকলৰ সৃষ্টিৰ বিষয়ে আলোকপাত কৰে। সত্ৰীয়া নৃত্যক ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি প্ৰদানৰ ক্ষেত্ৰত ড° ভূপেন হাজৰিকাৰ প্ৰচেষ্টাৰ বিষয়ে অৱগত কৰি সকলোকে আদৰণি জনায়। সভাত ড° জ্যোতিপ্ৰসাদ ফুকনে এই পৱিত্ৰ দিনটি উদ্‌যাপনৰ তাৎপৰ্য সম্পৰ্কে ব্যাখ্যা আগবঢ়ায়। সভানেত্ৰী জিতা ডেকা হাজৰিকাই সত্ৰীয়া সংস্কৃতি সম্পৰ্কে বিস্তৃতভাৱে ব্যাখ্যা কৰি বক্তব্য আগবঢ়ায়। সভাত সত্ৰীয়া সংস্কৃতিক মানুহৰ মাজত জীয়াই ৰখাৰ লগতে অসমৰ নৱ প্ৰজন্মৰ মাজত জনপ্ৰিয় কৰি তোলাৰ উদ্দেশ্যেৰে আজিৰ সভাত কণ কণ শিশুসকলৰ লগতে অনুষ্ঠানত উপস্থিত থকা শিল্পীসকলে ভূপেন্দ্ৰ সংগীত, নৃত্য আৰু গীত পৰিৱেশন, কবিতা আবৃত্তি, সত্ৰীয়া সংস্কৃতিৰ লগত সংগতি ৰাখি বৰগীত, দিহানাম, লোকগীত, সত্ৰীয়া নৃত্য পৰিৱেশন কৰে। সভাত কণমানি শিল্পী তৃষাদৰ্শী গগৈয়ে বৰগীত পৰিৱেশন কৰে। কবিতা আবৃত্তি কৰে ক্ৰমে মামণি শৰ্মা, মিনাক্ষী দাস বৰুৱা, অপৰ্ণা ফুকন দাস শিৱাংগী বৰবৰা, ৰূপামণি গগৈ, নিজৰা গগৈ, ৰশ্মিৰেখা দুৱৰা, নিৱেদিতা চুতীয়া, দীপিকা বৰা, বিতুমণি ফুকন, জুলি চিৰিং, নাম আৰু লোকগীত পৰিৱেশন কৰে দীপালী শইকীয়া, অনিমা সোণোৱাল বৰা, নিকি নিকুঞ্জ চেতিয়া আৰু ৰীতা দাস শইকীয়াই। অগ্ৰগামী দিহানাম দলৰ জুলি দত্ত আৰু সংগীবৃন্দই দিহানাম পৰিৱেশন কৰে। কণমানি শিল্পী ভাব্যা বৰুৱা, দীক্ষিতা গগৈ, চয়নিকা গগৈ, তৃষাদৰ্শী গগৈকে ধৰি শিল্পীয়ে সত্ৰীয়া সংস্কৃতি আৰু সুধাকণ্ঠৰ সৃষ্টিৰাজিৰ গীত-মাত তথা নৃত্য পৰিৱেশন কৰে।

ফিলবাৰী ঃ নিজা প্ৰতিবেদক, ১৭ নৱেম্বৰ ঃ ...

Bread, Biscuits, Namkeens, C...
Muri & Tea




Contact: 98642 52021

Gattani
CHAUKHAT/WPC

ডব্লিউ পি চি
প্লাই/চৌকাঠ/দুৱাৰ



১। ঘুণ আৰু...
২। ৰ'টাৰ প্ৰ...
৩। অগ্নি প্ৰতি...
৪। ব্যৱহাৰৰ...
৫। সৰ্বশ্ৰেষ্ঠ...
৬। ক'লা আ... উপলব্ধ
৭। এই চৌক... লগতো...